**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। অসমকে ধৰি উত্তৰ-পূবৰ ছখন ৰাজ্যলৈ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অতিৰিক্ত ৬৬০ কোটি টকা আবণ্টন।

২। খেৰণিৰ হিংসাত্মক ঘটনাত মৃত্যু হোৱা দুজন লোকৰ পৰিয়াললৈ ৫ লাখ টকাকৈ আৰ্থিক সাহায্য।

৩। দেশত পানকাৰ্ড আৰু আধাৰকাৰ্ড সংযোগৰ বাবে ৩১ ডিচেম্বৰ অন্তিম সময়সীমা ধাৰ্য।

৪। আজি পবিত্ৰ বৰদিন। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যতো উলহ-মালহেৰে বৰদিন উদযাপন।

**আৰু**

৫। চলিত বৰ্ষৰ সন্মানীয় মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটাৰ বাবে ভাৰতীয় পুৰুষ হকী দলৰ উপ-অধিনায়ক হাৰ্ডিক সিং মনোনীত।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে অসমকে ধৰি উত্তৰ-পূবৰ ছখন ৰাজ্যলৈ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কাৰ্যৰ বাবে অতিৰিক্ত ৬৬০ কোটি টকাৰ আবণ্টন দিছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত এই ৰাজ্যসমূহৰ লোকনিৰ্মাণ, পথ নিৰ্মাণ বিভাগ আদিৰ দ্বাৰা ৰূপায়িত এই প্ৰকল্পসমূহৰ বাবে এই ধনৰাশি মুকলি কৰা হৈছে। ইয়াৰ ফলত এই কাৰ্যৰ বাবে আবণ্টিত মুঠ ধনৰ পৰিমাণ দুহেজাৰ ৯৮০ কোটি টকালৈ বৃদ্ধি পাইছে। ইয়াৰ পূৰ্বে অসমৰ উপৰি অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, ছিকিম আৰু ত্ৰিপুৰালৈ দুহেজাৰ ৩২০ কোটি টকা আবণ্টন দিয়া হৈছিল। এইবাৰ অসমৰ বাবে ৩৫০ কোটি টকা অধিক আবণ্টন দিয়া হৈছে।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি কালিৰে পৰা নিয়ন্ত্ৰণত আছে। কাইলৈ প্ৰতিবাদকাৰী, কাৰ্বি স্বায়ত্তশাসিত পৰিষদ আৰু ৰাজ্য চৰকাৰৰ মাজত ত্ৰিপাক্ষিক আলোচনা হোৱাৰ কথা আছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে খেৰণি ফেংলাপিত আমৰণ অনশন কৰি থকা কাৰ্বি সম্প্ৰদায়ৰ সদস্যসকলক সাক্ষাৎ কৰাৰ পাছত প্ৰতিবাদকাৰীসকলে অনশন কাৰ্যসূচী প্ৰত্যাহাৰ কৰিবলৈ আৰু ত্ৰিপাক্ষিক আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰে।

কাৰ্বি আংলঙৰ হিংসাত্মক ঘটনাত প্ৰাণহানি হোৱা লোক দুজনৰ পৰিয়াললৈ কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে সমবেদনা প্ৰকাশ কৰাৰ লগতে ভুক্তভোগীৰ পৰিয়াললৈ ৫ লাখ টকাকৈ সাহায্য আগবঢ়ায়। তেওঁ কয়, যে কোনো ক্ষতিপূৰণে কেতিয়াও মানুহৰ জীৱনৰ ঠাই ল'ব নোৱাৰে। এই কঠিন পৰিস্থিতিত সমাজৰ সকলো শ্ৰেণীৰ লোককে শান্তি আৰু সংযম বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙে কাৰ্বি আংলঙত বাহৰ পাতি আইন শৃংখলা পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখিছে। ইপিনে পশ্চিম কাৰ্বি আংলং জিলাৰ আয়ুক্ত সাৰংগপাণি শৰ্মাই কালি হোজাই আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ সীমামূৰীয়া ফৰেষ্ট গে'ট অঞ্চল পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে হোজাইৰ অতিৰিক্ত আৰক্ষী অধীক্ষক আৰু লামডিং সমজিলাৰ আৰক্ষীৰ সৈতে অঞ্চলটোৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত বুজ লয়।

খেৰণিৰ হিংসাত্মক ঘটনাক লৈ উদ্বিগ্নতা প্ৰকাশ কৰি সদৌ অসম ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীলৈ এখন জৰুৰী দাবী পত্ৰ প্ৰেৰণ কৰে। ইপিনে নিখিল বড়ো ছাত্ৰ সন্থাই কাৰ্বি আংলঙৰ আইন শৃংখলাৰ পৰিস্থিতিক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। সদৌ অসম মেচ-কছাৰী ছাত্ৰ সন্থায়েও এই হিংসাত্মক ঘটনাক তীব্ৰ গৰিহণা দিছে।

oooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত কালিৰে পৰা খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। ৬ জানুৱাৰীলৈকে হ'বলগীয়া গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত ৰাজ্য চৰকাৰে ২০২৫ বৰ্ষটো গ্ৰন্থ বৰ্ষ হিচাপে পালন কৰি গ্ৰন্থ অধ্যয়নক জনপ্ৰিয় কৰাৰ বাবে কেইবাটাও কাৰ্যসূচী হাতত লোৱাৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে **যুৱ লেখক সন্মান ২০২৫** লাভ কৰা ৰাজ্যৰ ৪০ বছৰ অনুৰ্দ্ধ ৮১৮ গৰাকী যুৱ লেখক-লেখিকাক সম্বৰ্ধনা জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে নতুন লেখক-লেখিকাসকলক এই সন্মান প্ৰাপ্তিৰ বাবে অভিনন্দন জ্ঞাপন কৰি নৈতিকতা আৰু সামাজিক প্ৰমূল্য অক্ষুণ্ণ ৰাখি নিজৰ সৃষ্টি কৰি যাবলৈ আহ্বান জনায়–

বাইট

অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে সন্মানীয় অতিথি হিচাপে মুম্বাইৰ প্ৰসিদ্ধ লেখক আমিশ ত্ৰিপাঠী আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী উপস্থিত থাকে। গ্ৰন্থমেলাৰ প্ৰাংগণতে জন্ম শতবৰ্ষত ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ড° ভূপেন হাজৰিকাৰ গীতত সমকালীনতা বিষয়ত আয়োজিত অনুষ্ঠানটো বিশিষ্ট লেখক সুমন্ত চলিহাই সঞ্চালনা কৰে।

ইপিনে বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক, গল্পকাৰ ড° দীপক কুমাৰ বৰকাকতিলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে।

oooooo

আজি পবিত্ৰ বৰদিন। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো খ্ৰীষ্টধৰ্মী লোকসকলে কালি মাজনিশাৰে পৰা পৱিত্ৰ বৰদিন উপলক্ষে  সমূহীয়া প্ৰাৰ্থনা কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গীৰ্জাসমূহ বৰদিন উপলক্ষে আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। যোৱানিশাৰে পৰা গুৱাহাটী মহানগৰীৰ পাণবজাৰৰ ব্যাপ্তিষ্ট চাৰ্চ, পাণবজাৰৰ ডনবস্ক', খ্ৰীষ্টানবস্তি, সোণাইঘূলিকে ধৰি বিভিন্ন স্থানৰ গীৰ্জাসমূহ কেৰলৰ ধ্বনিৰে মুখৰ হৈ উঠে।

**কেৰল**

প্ৰভু যীশুৰ প্ৰাৰ্থনাৰ বাবে কালি সন্ধিয়াৰে পৰা গীৰ্জাসমূহত অগনন লোকৰ সমাগম হোৱা পৰিলক্ষিত হয়। আলোকসজ্জা, খ্ৰীষ্টমাছ ট্ৰী, ৰং-বিৰঙী ফুল, তৰা আদিৰে গীৰ্জাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলৰ বাসগৃহসমূহো সজাই তোলা হৈছে। আজি পুৱাৰ ভাগতো বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনা, আলোচনা সভা আদি অনুষ্ঠিত হ'ব।

ৰাজ্যৰ প্ৰথম পৰিষ্কাৰ আৰু স্বচ্ছ গাঁও হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ৰাংচাপাৰা গাঁওখনক বিভিন্ন আলোকসজ্জাৰে সজাই তোলাৰ লগতে খ্ৰীষ্টধৰ্মী লোকসকলে ঘৰে ঘৰে বিভিন্ন খাদ্য প্ৰস্তুত কৰিছে। গোৱালপাৰা নগৰৰ বাপুজী নগৰত থকা একমাত্ৰ গীৰ্জাঘৰতো বৰদিন পালন কৰা হৈছে। তদুপৰি অসম-মেঘালয় সীমান্তৰ খ্ৰীষ্টধৰ্মী গাৰো সম্প্ৰদায়ৰ লোকসকলেও বৰদিন পালন কৰিছে।

বিশ্বনাথ জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে গহপুৰ সম-জিলাতো খ্ৰীষ্টধৰ্মী লোকসকলে উলহ-মালহেৰে বৰদিন উদযাপন কৰিছে।  খ্ৰীষ্টমাষ্ট ট্ৰী, বেটাৰী চালিত চাণ্টা ক্লজ, ৰং-বিৰঙী আলোকসজ্জাৰে বিপণীসমূহ ভৰি পৰিছে। গহপুৰ অঞ্চলৰ খ্ৰীষ্ট ধৰ্মাৱলম্বী লোকসকলৰ লগতে এই বিপণীসমূহত অৰুণাচল প্ৰদেশৰ পৰা বহু গ্ৰাহকৰ আগমন ঘটা পৰিলক্ষিত হৈছে।

কোকৰাঝাৰ জিলাত উৎসাহ-উদ্দীপনা আৰু ভক্তি সহকাৰে খ্ৰীষ্টধৰ্মী লোকসকলে বৰদিন পালন কৰিছে। মাজনিশা কেৰলৰ ধ্বনিৰে গীৰ্জাসমূহ মুখৰিত হয়।

ওদালগুৰি জিলাতো বৰদিন উপলক্ষে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। জিলাখনৰ গীৰ্জাসমূহ সজাই-পৰাই তোলা হৈছে। এই সন্দৰ্ভত ওদালগুৰিৰ পৰা এয়া আমাৰ সংবাদদাতা নাৰায়ণ ডেকা –

**বাইট**

বৰাক উপত্যকাৰ জিলা কেইখনতো বৰদিনৰ উছাহ পৰিলক্ষিত হৈছে। শিলচৰৰ ৰামকৃষ্ণ মিচন সেৱাশ্ৰমত কালি এই উপলক্ষে যীশু আৰাধনাৰ আয়োজন কৰা হয়। কালি সন্ধিয়া প্ৰভু যীশুৰ প্ৰতিমূৰ্তিৰ সন্মুখভাগ মমবাতি আৰু ফুলেৰে সজাই তোলা হয়। এই উপলক্ষে বিশেষ প্ৰাৰ্থনা সংগীত আৰু কেৰল পৰিৱেশন কৰা হয়।

বৰদিন উপলক্ষে উত্তৰ-পূবৰ অনান্য ৰাজ্যকেইখন বিশেষকৈ চুবুৰীয়া ৰাজ্য মেঘালয়ৰ ৰাজধানী শ্বিলং নগৰী আটক ধুনীয়াকৈ সজাই তোলা হৈছে। প্ৰায় এসপ্তাহ পূৰ্বৰে পৰা নগৰখনত বৰদিনক লৈ ব্যস্ততা পৰিলক্ষিত হৈছে। কালি সন্ধিয়াৰে পৰা বৰদিনৰ প্ৰাৰ্থনাৰ বাবে শ্বিলঙৰ গীৰ্জাঘৰলৈ বহু লোকৰ আগমন হয়। বৰদিনৰ আনন্দ উপভোগৰ বাবে শ্বিলঙলৈ দেশ-বিদেশৰ বহু পৰ্যটকৰ আগমন ঘটাও দেখা গৈছে। কোহিমা, আইজল, তুৰাকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানৰ পৰা বৰদিনৰ প্ৰাক সন্ধিয়া আনন্দ-উল্লাসৰ পৰিৱেশ সৃষ্টি হৈছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পবিত্ৰ বৰদিন উপলক্ষে ৰাজ্যৰ সকলো জনসাধাৰণ বিশেষকৈ খ্ৰীষ্টধৰ্মী লোকসকলক ওলগ জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে যীশুখ্ৰীষ্টৰ জন্মদিন উপলক্ষে আয়োজিত এই উৎসৱে আমাক দয়া, কৰুণা আৰু নিস্বাৰ্থ সেৱাৰ অমূল্য - প্ৰমূল্যৰাজিৰ বিষয়ে সোঁৱৰাই দিয়ে। ৰাজ্যপালগৰাকীয়ে লগতে সদিচ্ছা আৰু সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় কৰি এই উৎসৱ পালন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই বৰদিন উপলক্ষে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ লগতে প্ৰভু যীশুৰ আশীৰ্বাদে সমাজৰ পৰা অপশক্তি নাশ কৰি শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ব বোধৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

দেশত পানকাৰ্ড আৰু আধাৰকাৰ্ড সংযোগৰ বাবে অন্তিম সময়সীমা অহা ৩১ ডিচেম্বৰ ধাৰ্য কৰা হৈছে। নাগৰিকে কৰ আদায় দিয়াৰ সময়ত ব্যক্তিৰ আধাৰ আৰু পানকাৰ্ড সংলগ্ন কৰাটো বাধ্যতামূলক কৰা হৈছে। ২০২৪ চনৰ ১ অক্টোবৰতে আধাৰকাৰ্ড আৰু পানকাৰ্ড সংলগ্ন কৰাৰ এটা নিৰ্দেশ জাৰি কৰা হৈছিল আৰু পাছত এই সময়সীমা ২০২৫ চনৰ ৩ এপ্ৰিললৈ পুনৰ বৃদ্ধি কৰা হৈছিল। ৩১ ডিচেম্বৰৰ পূৰ্বে আধাৰকাৰ্ড আৰু পানকাৰ্ড সংলগ্ন নকৰিলে এহেজাৰ টকাকৈ জৰিমণা ভৰিব লাগিব, অন্যথা পানকাৰ্ডসমূহ নিষ্ক্ৰিয় কৰি দিয়া হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। এই সময়সীমাৰ ভিতৰত আধাৰ আৰু পান সংলগ্ন নকৰিলে ২০২৬ বৰ্ষৰ টিডিএছ আৰু টি চি এছ ধনৰাশি ঘূৰাই দিয়া নহ'ব।

০০০০০০

উত্তৰ গুৱাহাটীৰ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা চমুকৈ আবিলাক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া আৰু ইংৰাজী বিভাগৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অনুবাদ অধ্যয়ন, পূৰ্বোত্তৰ ভাৰতৰ থলুৱা ভাষাসমূহৰ সংৰক্ষণ, বিভিন্ন সাংস্কৃতিক ক্ষেত্ৰত সহযোগিতামূলক গৱেষণা কাৰ্য আৰু ছাত্ৰ-ছাত্ৰীৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ আদি দিশক আধাৰ হিচাপে গ্ৰহণ কৰি এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। এই অনুষ্ঠানত আবিলাকৰ সঞ্চালক, অধ্যাপিকা ডং সুদেষ্ণা ভট্টাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জীতেন হাজৰিকাৰ লগতে কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। এই চুক্তি সন্দৰ্ভত আবিলাকৰ সঞ্চালকগৰাকীয়ে এইদৰে কয় –

**বাইট**

০০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ মাজুলীৰ অনাতাঁৰ মৰম পৰিয়ালে আগবঢ়োৱা **শ্ৰোতা প্ৰেৰণা বঁটা ২০২৫** আজি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰক প্ৰদান কৰা হ'ব। আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানৰ জৰিয়তে শ্ৰোতাসকলৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে শ্ৰীবৰঠাকুৰলৈ এই বঁটা আগবঢ়োৱা হৈছে। ২০১০ চনৰ ২৫ ডিচেম্বৰত জিলাখনৰ মুদৈবিলত প্ৰতিষ্ঠা লাভ কৰা এই সংঘই মূলতঃ ৰেডিঅ' প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। সংঘই ইয়াৰ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ৰেডিঅ'ৰ সৈতে জড়িত একোগৰাকী ব্যক্তিক শ্ৰোতা প্ৰেৰণা বঁটা আৰু এগৰাকী শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা প্ৰদান কৰে। এই বছৰৰ বাবে অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা দুগৰাকী শ্ৰোতা ধেমাজিৰ চিচি কেৰেকনি মাজগাঁৱৰ মহেশ্বৰ চুতিয়া আৰু তিনিচুকীয়া কাকপথাৰ ১ নম্বৰ তেজী গাঁৱৰ দীপক মৰাণলৈ আগবঢ়োৱা হৈছে। আজি মাজুলীৰ শ্ৰীশ্ৰী এলেংগি টকৌবাৰী সত্ৰত হ'বলগীয়া অনাতাঁৰ মৰম পৰিয়ালৰ যোড়শ প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰা হ'ব। বঁটাত এটাকৈ ৰেডিঅ' ছেট, স্মাৰক, জাপি, সম্বৰ্দ্ধনা পত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু একোটাকৈ গছপুলি প্ৰদান কৰা হ'ব।

০০০০০০

গুৱাহাটী প্ৰেছ ইনফৰমেচন ব্যুৰ'ৰ উদ্যোগত কালি যোৰহাট প্ৰেছ ক্লাবত দেশৰ ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ৰ ডেৰশ বছৰ পূৰণ হোৱা উপলক্ষে এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। পি আই বি গুৱাহাটীৰ যুটীয়া সঞ্চালক পাৰনী গুপ্তাই এই অনুষ্ঠানৰ তাৎপৰ্য ব্যাখ্যা কৰে।

এই কাৰ্যসূচীত যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে মুখ্য অতিথি হিচাপে অংশ লৈ ২০৪৭ চনৰ বিকশিত ভাৰতৰ প্ৰেক্ষাপটত বন্দে মাতৰমৰ প্ৰাসংগিকতাৰ ওপৰত আলোকপাত কৰে। তেওঁ কয়, যে বংকিম চন্দ্ৰ চেটাৰ্জীয়ে ৰচনা এই গীতটো কেৱল সাহিত্যিক কৃতিত্ব নহয়, বৰং দেশৰ জাতীয় চেতনা আৰু একতাৰ শক্তিশালী প্ৰতীক। অনুষ্ঠানত যোৰহাট মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক সৌমিত্ৰ পূজাৰী আৰু গুৱাহাটী দূৰদৰ্শনৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী অংকুৰ লাহটিয়ে অংশগ্ৰহণ কৰে।

০০০০০০

অলিম্পিকত দেশৰ হৈ দুবাৰকৈ পদক অৰ্জন কৰা আৰু ভাৰতীয় পুৰুষ হকী দলৰ উপ-অধিনায়ক হাৰ্ডিক সিঙক চলিত বৰ্ষৰ সন্মানীয় মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটাৰ বাবে মনোনীত কৰা হৈছে। ভাৰতৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে প্ৰতি বছৰে ক্ৰীড়া ক্ষেত্ৰত দেশৰ এই সৰ্বোচ্চ সন্মানটো প্ৰদান কৰি আহিছে। ভাৰতীয় অলিম্পিক সংস্থাৰ উপাধ্যক্ষ গগন নাৰং, প্ৰাক্তন হকী খেলুৱৈ এম এম ছোমায়া আৰু প্ৰাক্তন বেডমিণ্টন খেলুৱৈ অৰ্পণা পোপাটক সদস্য হিচাপে লৈ গঠিত এখন তিনিজনীয়া বাছনি সমিতিয়ে চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহৰ বিজয়ীসকলৰ নাম চূড়ান্ত কৰে।

সমিতিয়ে ২৪ গৰাকী ক্ৰীড়াবিদৰ নাম অৰ্জুন বঁটাৰ বাবে প্ৰস্তাৱ কৰিছে। ইয়াৰ ভিতৰত বেডমিণ্টন খেলুৱৈদ্বয় তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দ, ৰাইফল শ্যুটাৰ মেহুলী ঘোষ, জিমনাষ্ট প্ৰণতি নায়ক আৰু যোগাসনৰ ক্ৰীড়াবিদ আৰতী পালৰ নামো আছে। ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাৰ বাবে মনোনীত খেলুৱৈসকলে ৰাষ্ট্ৰপতিৰ পৰা পুৰস্কাৰসমূহ গ্ৰহণ কৰিব।

০০০০০০

কাৰ্বি আংলং জিলাৰ পৰিস্থিতি নিয়ন্ত্ৰণাধীন, নৱবৰ্ষত তৃতীয় বৰ্গৰ কেইবাহাজাৰো চাকৰিৰ নিযুক্তি, ৰাজ্যজুৰি বৰদিনৰ উলহ-মালহ, ১৭ জানুৱাৰীত পুনৰ অসমলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইত্যাদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

পশ্চিম কাৰ্বি আংলং জিলাত যোৱা কিছুদিন ধৰি বিৰাজ কৰা হিংসাত্মক পৰিস্থিতিৰ প্ৰতি ৰাজ্যৰ বিভিন্ন দল-সংগঠনে উদ্বেগ প্ৰকাশ কৰিছে। এনে পৰিস্থিতিৰ সুযোগ লৈ অঞ্চলটোত জাতি ধবংসৰ ভয়ংকৰ ৰাজনীতি চলাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। ইয়াৰ সমান্তৰালভাৱে অঞ্চলটোত বৰ্তমান পৰিস্থিতি পূৰ্বতকৈ শান্ত হৈছে আৰু ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধানে খেৰণিত বাহৰ পাতি পৰিস্থিতিৰ তদাৰক কৰি থকাৰ বাতৰি **দৈনিক জনমভূমি, অসমীয়া খবৰ, দি আছাম ট্ৰিবিউন** আদিকে ধৰি অন্য বাতৰি কাকতসমূহেও প্ৰকাশ কৰিছে। **ৰাজ্যত বৃদ্ধি হিন্দাভাষীৰ আগ্ৰাসন** এই শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে **দৈনিক অসম** কাকতে।

ৰাজ্যৰ পৰীক্ষাগাৰত ধৰা পৰিল বিপদজ্জনক ভেজাল ঔষধ-নকল পেন ফৰ্টি আৰু পেৰাচিটামলৰ লগতে ২০৫ বিধ নিম্নমানৰ ঔষধেৰে বজাৰ ভৰি পৰাৰ এটা বাতৰি **আমাৰ অসম** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজিৰঙা এলিভেটেড কৰিডৰৰ আধাৰশিলা স্থাপন কৰিব। বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতৰ।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

অহা বৰ্ষৰ ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজিৰঙাৰ বহু প্ৰত্যাশীত এলিভেটেড কৰিডৰৰ আধাৰশিলা স্থাপন কৰিব বুলি বোকাখাটত কালি কৃষিমন্ত্ৰী অতুল বৰাই এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কেন্দ্ৰীয় কেবিনেটে কলিয়াবৰৰ পৰা নুমলীগড়লৈ মুঠ ৮৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত পথ আৰু কাজিৰঙা এলিভেটেড কৰিডৰৰ বাবে ৬ হাজাৰ ৯৫৭ কোটি টকাৰ অনুমোদন জনাইছে বুলি উল্লেখ কৰে। এই এলিভেটেড কৰিডৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীসমূহৰ জীৱন সুৰক্ষিত হ'ব বুলি আশা কৰা হৈছে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰীগৰাকীয়ে কাজিৰঙাত নিশা কটাই যোৱাৰ পাছতে ৰাষ্ট্ৰীয় উদ্যানখনলৈ পৰ্যটকৰ বৃদ্ধি পাইছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ডাঠ কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মেঘালয়, মিজোৰাম আৰু মণিপুৰত পাতলীয়া বৰষুণৰ লগতে ডাঠ কুঁৱলীয়ে আৱৰি থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**